# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

***:::::::::::::::::::::::::::::::::::***

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত হবলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। তৃতীয় পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, ঝাৰখণ্ডৰ ৩টা, বিহাৰ আৰু ওড়িশাৰ ৫ টাকৈ লগতে জম্মু কাশ্মীৰ তথা লাডাখত এটাকৈ সমষ্টিত ভোটগ্ৰহণ হ'ব। এই পৰ্যায়ত মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। এই পৰ্যায়ত প্ৰতিদ্বন্দিতা  আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসমূহৰ ভিতৰত বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, পিয়ুছ গোৱেল, কংগ্ৰেছৰ ৰাহুল গান্ধী, কে এল শৰ্মা, এন চিৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামৱিলাসৰ চিৰাগ পাছোৱান অন্যতম।

০০০০

ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ জামছেদপুৰত দলৰ প্ৰাৰ্থী বিদ্যুৎ বৰণ মাহাতোৰ হৈ  প্ৰচাৰ চলায়। এইবাৰৰ লোকসভা নিৰ্বাচনে দেশৰ বৰ্তমান আৰু ভৱিষ্যত শক্তিশালী কৰি তুলিব বুলি শ্ৰী মোদীয়ে দাবী কৰে। তেওঁ দেশৰ উন্নয়নৰ বাবে ব্যৱসায়ীসকল অতিকে গুৰুত্বপূৰ্ণ বুলিও মন্তব্য কৰে। এই প্ৰসংগত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে বিৰোধী  দলটোৱে ব্যৱসায়ী সম্প্ৰদায়ক দেশৰ শত্ৰু হিচাপে গণ্য কৰে বুলি দাবী কৰে। ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলৰ বিৰোধিতা কৰিলে জনসাধাৰণৰ কৰ্মসংস্থাপন লাভৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'ব বুলি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে বৰ্তমানৰ নিৰ্বাচনৰ প্ৰসংগত অৰ্থনীতি, যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ, কৃষি, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক লৈ হোৱা আলোচনাসমূহৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ আৰু জে এম এম এনক তীব্ৰ সমালোচনা কৰে। ঝাৰখণ্ডৰ জামছেদপুৰত অনুষ্ঠিত নিৰ্বাচনী সমাৰেশৰ পাছত শ্ৰী মোদী পশ্চিমবংগলৈ ৰাওনা হয়। ৰাজ্যখনৰ পুৰুলীয়া আৰু বিষ্ণুপুৰত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ পাছত বিজেপি নেতাজনে মেদিনীপুৰত অন্য এটা নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি সন্ধিয়া নিৰ্বাচনী ভ্ৰমণসূচীৰে শ্ৰী মোদী ভুবনেশ্বৰত উপস্থিত হ'ব। কাইলৈ পুৰীত তেওঁ এটা নিৰ্বাচনী ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

ইফালে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ আৰু বিহাৰত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজ আৰু জৌনপুৰৰ নিৰ্বাচনী সভাত ভাষণ দিয়াৰ পাছত বিজেপি নেতাগৰাকীয়ে বিহাৰৰ বেটিয়াত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইফালে ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে কংগ্ৰেছৰ পঞ্চমুখী ন্যায় আৰু ২৫টা প্ৰতিশ্ৰুতিৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।

০০০০

সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে আজি নলবাৰী নাট্য মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে **জনপদ-সংস্কৃত সন্মিলন** আয়োজন কৰা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সন্মিলনখন নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা

সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰহ্লাদ আৰ যোশীয়ে উদ্বোধন কৰে। সন্মিলনত উপস্থিত বিশিষ্ট বক্তাসকলে সংস্কৃত ভাষাৰ ইতিহাস আৰু বৰ্তমান সময়ৰ ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে সমবেতসকলক অৱগত কৰে। উল্লেখযোগ্য যে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জনমুখী উপযোগীতাৰ প্ৰয়াসেৰে প্ৰতি তিনি বছৰৰ অন্তৰে অন্তৰে এই সন্মিলনখন ভাৰতৰ বিভিন্ন স্থানত অনুষ্ঠিত কৰা হয়।

০০০০

বাংলাদেশৰ সীমান্তৱৰ্তী মানকাচৰ মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেঁচুসাৰ উৎপাদন আৰু ব্যৱহাৰ  বিষয়ক এখন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ পৰিৱেশ সংঘৰ সহযোগত আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত কৰ্মশালাখনত মহকুমা কৃষি বিষয়াকে ধৰি ভালেকেইজন কৃষি বিশেষজ্ঞ উপস্থিত থাকে। কৌশল আৰু দক্ষতা বিকাশৰ উদ্দেশ্যেৰে আয়োজিত কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলক  জৈৱিক পদ্ধতিৰে কেঁচুসাৰ প্ৰয়োগ কৰিব পৰা উন্নতমানৰ কৃষিকাৰ্যৰ সন্দৰ্ভত অৱগত কৰা হয়। এই প্ৰশিক্ষণত প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

বৰপেটাত আজিৰে পৰা জিলা পৰ্যায়ৰ ডবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ পূৰ্বে অনুষ্ঠিত এই প্ৰতিযোগিতাত আজি ৫ টা শাখাত অনুষ্ঠিত হয়। বৰপেটাৰ লালবাহাদুৰ শাস্ত্ৰী পুথিভঁড়ালত ৭ বছৰ অনুৰ্ধ, ৯ বছৰ, ১১ বছৰ, ১৩ বছৰ আৰু ১৫ বছৰ অনুৰ্ধ ল'ৰা-ছোৱালীৰ মাজত আজি এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। আটাইকেইটা শাখাত জিলাখনৰ কমেও কুৰি গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ বিজয়ীসকলে গুৱাহাটীত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত গৰাখহনীয়াই ভাবুকিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধীৰেৰচৰ তাৰাংগাপুৰ গাওঁৰ ৰাইজে বাৰিষাৰ পূৰ্বে চম্পাৱতী নৈৰ খহনীয়আৰ পৰা সমস্যাৰ সন্মুখীন হৈছে। এই গাওঁখনত পূৰ্বেও কেইবাহাজাৰ বিঘা কৃষিভূমি আৰু ভালেসংখ্যক পৰিয়ালৰ বাসগৃহ নৈখনত জাহ গৈছে। অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষক এই সমস্যাৰ সমাধান বিচাৰি আহ্বান জনাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ